অসম

অইলৰ ২৫ লাখ টকাৰ সাহায্য প্ৰত্যাখ্যান ITF অঘটনত নিহতৰ পৰিয়ালৰ, ঘূৰাই দিলে চেক

টেংগাখাতৰ অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফাৰ্মৰ অগ্নিকাণ্ডত নিহত ছয়জন লোকৰ পৰিয়াললৈ ঘোষণা কৰা ২৫ লাখ টকাৰ সাহায্য প্ৰত্যাখ্যান কৰিছে একাংশ পৰিয়ালে। অইল কৰ্তৃপক্ষক ২৫ লাখ টকাৰ চেক ঘূৰাই দিয়ে তেওঁলোকে। উল্লেখ্য যে, পূৰ্বে ঘোষণা কৰা ১০ লাখ টকাৰ সাহায্য বৃদ্ধি কৰি ২৫ লাখ টকা কৰিছিল অইলে। আনহাতে, ঠিকাদাৰী সংস্থাটোৱেও নিহতৰ পৰিয়াললৈ ১০ লাখ আৰু আহতৰ পৰিয়াললৈ ৫ লাখ টকাকৈ সাহায্য ঘোষণা কৰিছিল।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৯ আপডেট: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯



OIL raises ex gratia aid to Rs 25 lakh for families of Tengakhat fire victims (NewzNow)

ডিব্ৰুগড়, ৬ নৱেম্বৰ: টেংগাখাতস্থিত অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফাৰ্মত সংঘটিত অগ্নিকাণ্ডত নিহত ছয়জন লোকৰ পৰিয়াললৈ ঘোষণা কৰা ২৫ লাখ টকাৰ এককালীন সাহায্য প্ৰত্যাখ্যান কৰিছে একাংশ ক্ষতিগ্ৰস্ত পৰিয়ালে। অইল কৰ্তৃপক্ষই প্ৰদান কৰা ২৫ লাখ টকাৰ চেক ঘূৰাই দিয়ে নিহতৰ পৰিয়ালৰ সদস্যসকলে।

উল্লেখ্য যে, অগ্নিকাণ্ডৰ পাছতে নিহত প্ৰতিজন লোকৰ পৰিয়াললৈ পূৰ্বে ঘোষণা কৰা ১০ লাখ টকাৰ সাহায্যৰ

পৰিমাণ বৃদ্ধি কৰি ২৫ লাখ টকা কৰাৰ কথা ঘোষণা কৰিছিল অইল ইণ্ডিয়া লিমিটেডে। ঘটনাটোত নিহতসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰাৰ কথাও জনাইছিল সংস্থাটোৱে।

ইফালে, ঠিকাদাৰী সংস্থাটোৱেও নিহত প্ৰতিজন লোকৰ পৰিয়াললৈ ১০ লাখ টকাকৈ আৰু আহত প্ৰতিজন লোকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছিল।

কিন্তু অইলৰ ২৫ লাখ টকাৰ সাহায্যৰ চেক পৰিয়ালসমূহে কিয় প্ৰত্যাখ্যান কৰিলে, সেই সন্দৰ্ভত তেওঁলোকৰ স্পষ্ট বক্তব্য জানিব পৰা নগ'ল।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2296/oil-tengakhat-fire-ex-gratia-assistance